# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date : 01-10-2025**
**Time : 1205 Hrs**

## ***Assamese Mid-day Bulletin***

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত আৰু মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক যোৱানিশা এছ্ আই টিয়ে গ্ৰেপ্তাৰ কৰি আজি পুৱাতেই চি আই ডিৰ কাৰ্যালয়লৈ লৈ আহিছে। আজি আদালত বন্ধ থকা হেতুকে তেওঁলোকক মুখ্য ন্যায়িক দণ্ডাধীশৰ বাসভৱনত হাজিৰ কৰোৱাৰ পাছত ১৪ দিনৰ বাবে আৰক্ষীয়ে জিম্মাত হৈছে। অৱশ্যে চৰকাৰী সূত্ৰই বিষয়ে কোনো কথা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা নাই। বিগত কেইবা দিন ধৰি এছ্ আই টিয়ে শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্ত অব্যাহত ৰখাৰ লগতে চি আই ডিৰ কাৰ্যালয়ত এই ঘটনাৰ কেইবাগৰাকী প্ৰত্যক্ষদৰ্শীক জেৰা কৰিছিল। ইয়াৰ আগেয়ে কালি ছিংগাপুৰলৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধানৰ শাখাৰ দুগৰাকী বিষয়া ৰাওনা হৈছিল। এছ্ আই টিয়ে কালিও ছিংগাপুৰলৈ শিল্পীগৰাকীৰ সৈতে যোৱা সহশিল্পী অমৃতপ্ৰভা মহন্ত, শেখৰজ্যোতি গোস্বামী, আৰক্ষী বিষয়া সন্দীপন গাৰ্গ আৰু ব্যৱসায়ী সঞ্জীৱ নাৰায়ণক জেৰা কৰিছিল। কালি আৰক্ষী বিষয়া সন্দীপন গাৰ্গক ১০ ঘণ্টাৰ অধিক সময় এছ্ আই টিয়ে জেৰা কৰে।

০০০০০০০

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা নৱমী। আজি দেৱী দুৰ্গাক সিদ্ধিদাত্ৰী ৰূপত পূজা-অৰ্চনা কৰা হৈছে। দেৱীৰ এই ৰূপে আধ্যাত্মিক জ্ঞান আৰু মহৎ শক্তিক প্ৰতিফলিত কৰে।

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে মহিষ মৰ্দিনী দুৰ্গাৰ আৰাধনা কৰিছে। ৰাজ্যৰ প্ৰতিখন পূজা মণ্ডপতে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ গান শুনিবলৈ পোৱা গৈছে। ভালেসংখ্যক পূজা সমিতিয়ে এইবাৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই  আড়ম্বৰপূৰ্ণ সাংস্কৃতিক অনুষ্ঠানসমূহ বাতিল কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। আজি বিভিন্ন স্থানত কুমাৰী পূজা সম্পন্ন হ'ব। মাৰ্কণ্ডেয় মুনিৰ আশ্ৰমখ্যাত উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়ত ভক্তসকলে বৈদিক পৰম্পৰাৰে দেৱীক আৰাধনাৰ লগতে পূজা-অৰ্চনা কৰিছে। কামৰূপ জিলাৰ বিভিন্ন অঞ্চলৰ প্ৰাচীন দেৱালয় আৰু অন্যান্য পূজা মণ্ডপসমূহত আজি নৱমী পূজা পৰম্পৰাগত ৰীতি-নীতিৰে কৰা হৈছে।

**ধেমাজি** জিলাৰ চিলাখুটিৰ ঐতিহাসিক শ্ৰীশ্ৰীতাম্ৰেশ্বৰী আই থানতো পৰম্পৰাগত ৰীতি-নীতিৰে আধ্যাত্মিকভাৱে দুৰ্গা পূজা অনুষ্ঠিত হৈছে।

**লখিমপুৰ** জিলাৰ ঢকুৱাখনাত অৱস্থিত শ্ৰীশ্ৰীঈশ্বৰী হাৰ্হি দেৱালয়ে এইবেলি ৩০৩ বছৰত ভৰি দিলে। মহা নৱমী উপলক্ষে এই দেৱালয়ত আজি পুৱাৰে পৰা ভক্তৰ সমাগম পৰিলক্ষিত হৈছে।

**বিশ্বনাথ** জিলাৰ অন্তৰ্গত গহপুৰত অপাৰেচন সিন্দূৰৰ আৰ্হিৰে নিৰ্মাণ কৰা পূজা মণ্ডপে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰা দেখা গৈছে। পেহেলগামৰ হৃদয়বিদাৰক ঘটনাৰ পাছত সেনা বাহিনীৰ সফলতাৰ প্ৰতি শ্ৰদ্ধা জনাই গহপুৰৰ শান্তি ক্লাবে অপাৰেচন সিন্দূৰৰ আৰ্হিৰে পূজা মণ্ডপ নিৰ্মাণ কৰিছে।

বিত্তমন্ত্ৰী অজন্তা নেওগে কালি **গোলাঘাট** চহৰৰ মাজমজিয়াত আয়োজন কৰা কেইবাখনো পূজাস্থলীত উপস্থিত হৈ ৰাজ্যবাসীৰ কল্যাণ কামনা কৰি দেৱী দুৰ্গাৰ চৰণত সেৱা আগবঢ়াইছে।

**শিৱসাগৰ**ৰ ঐতিহাসিক দেৱী দৌলত পুৰাতন ৰীতিৰে ২৯২ বছৰীয়া দুৰ্গা পূজা পালন কৰা হৈছে। বিগত বৰ্ষসমূহৰ দৰে আনন্দ উছাহ নাই যদিও আধ্যাত্মিকতাৰ মাজেৰে এইবাৰ শাৰদীয় পূজা অনুষ্ঠিত হৈছে। শান্তি-সম্প্ৰীতি, সুখ-সমৃদ্ধি আৰু মংগল কামনাৰে দেৱী দৌলত হাঁহ, ছাগলী, কোমোৰা উচৰ্গা কৰি ভক্তই পূজা অৰ্চনা কৰিছে।

**বৰাক** উপত্যকাৰ জিলাকেইখনতো শাৰদীয় দুৰ্গাপূজাৰ মহা নৱমী উপলক্ষে আজি পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। শিলচৰৰ ঐতিহ্যমণ্ডিত ৰামকৃষ্ণ মিছন সেৱাশ্ৰমত কালি পুৱাৰেপৰা অগণন ভক্তৰ সমাগম হয়। অৱশ্যে কালি ধুমুহা-বৰষুণৰ ফলত কাচাৰ জিলাৰ কেইবাখনো পূজা মণ্ডপৰ ক্ষতি হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে।

**বাক্সা** জিলাৰ ৰূপহীত আজি পুৱাৰে পৰা ৭৩ সংখ্যক ৰূপহী আঞ্চলিক সাৰ্বজনীন শ্ৰী শ্ৰী মা দুৰ্গা পূজা মহোৎসৱৰ মহা নৱমী পূজা আৰম্ভ হৈছে। জিলাখনত শাৰদীয় পূজা সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰ

***ভইচ কাষ্ট***

০০০০০০০

ওৰাং ৰাষ্ট্ৰীয় উদ্যান অহা ৬ অক্টোবৰত পুনৰ পৰ্যটক আৰু দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হ'ব। মঙলদৈ বন্যপ্ৰাণী সংমণ্ডলৰ প্ৰাধিকাৰী তথা ৰাষ্ট্ৰীয় উদ্যানখনৰ কাৰ্যবাহী সঞ্চালক প্ৰদীপ্ত বৰুৱাই এখন জাননীযোগে এই বিষয়ে প্ৰকাশ কৰিছে। অৱশ্যে প্ৰতি মঙলবাৰে ৰাষ্ট্ৰীয় উদ্যানখন বন্ধ থাকিব বুলি জাননীখনত প্ৰকাশ কৰা হৈছে। বাৰিষাৰ বাবে ৫ মাহ ধৰি ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্প বন্ধ ৰখা হৈছিল। উল্লেখযোগ্য যে, কাজিৰঙা আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যানো পৰ্যটকৰ বাবে মুকলি কৰা হৈছে।

০০০০০০০

**সমাপ্ত**